# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৪৬/২০২০**

অসম কুৰ্মি সমাজৰ ত্ৰি-বাৰ্ষিক ৰাজ্যিক অধিৱেশনৰ সামৰণি অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## সকলো জাতি-জনগোষ্ঠীৰ সম-বিকাশৰ বাবে ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে কুৰ্মি সমাজ শৃংখলাবদ্ধ, পৰিশ্ৰমী আৰু কষ্টসহিষ্ণু। কুৰ্মি সমাজে অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। আজি ওৰাঙৰ কুচিয়া মাহাতো সমন্বয় ক্ষেত্ৰত অসম কুৰ্মি সমাজৰ ২১ তম্ ত্ৰি-বাৰ্ষিক ৰাজ্যিক অধিৱেশনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে কুৰ্মি সমাজ আৰু জনসাধাৰণে এই কথা প্ৰমাণ কৰি দেখুৱাইছে যে কঠোৰ প্ৰৰিশ্ৰমৰ জৰিয়তে মানুহে সফলতাৰ শীৰ্ষত আহৰণ কৰিব পাৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে কুৰ্মি জনসাধাৰণ সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক ভাবে আগবঢ়া আৰু চাহ জনজাতি সম্প্ৰদায়ৰ মাজত এক উদাহৰণ হিচাপে নিজকে প্ৰতিপন্ন কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এই জনগোষ্ঠীৰ ভূমিকা সম্পৰ্কতো আলোকপাত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উৎসৰ্গিত মনোভাৱ আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে আদৰ্শ দাঙি ধৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কঠোৰ পৰিশ্ৰমৰ জৰিয়তেহে আমি সফলতা আহৰণ কৰিব পাৰিম। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে প্ৰতিটো জাতি-জনগোষ্ঠীৰ কল্যাণৰ বাবে দায়বদ্ধ। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সকলো শ্ৰেণীৰ জনসাধাৰণক সৱলীকৰণ কৰাৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। চাহ সম্প্ৰদায়ৰ লোক সকলৰ উন্নয়নক ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সবকা সাথ, সবকা বিকাশ আৰু সবকা বিশ্বাস নীতিৰ আধাৰত বৰ্তমানৰ ৰাজ্য চৰকাৰে কাম কৰি আহিছে।

উল্লেখ্য যে যোৱা ৩১ জানুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা অসম কুৰ্মি সমাজৰ এই অধিৱেশনৰ আজি সামৰণি পৰিছে। আজিৰ এই অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰী, সাংসদ পল্লৱ লোচন দাস, বিধায়ক কামালী বসুমতাৰী আৰু চৰন বড়ো, অসম কুৰ্মি সমাজৰ অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ**
**২/০২/২০২০**